GOVT. OF ASSAM * Law Legislative Deptt.

ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫

( ১৯৫৫ চনৰ ২৫ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Hindu Marriage Act, 1955

( Act No. 25 of 1955 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ (১৯৫৫ চনৰ ২৫ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে, যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনু ভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৭ - ২৩ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Hindu Marriage Act, 1955 (25 of 1955) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 7 - 23.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

## সংশোধনী অধিনিয়ম সমূহৰ সূচী

১। হিন্দু বিবাহ (সংশোধন) অধিনিয়ম, ১৯৫৬ ( ১৯৫৬ ৰ ৭৩ )।

২। নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৬০ ( ১৯৬০ ৰ ৫৮ )।

৩। হিন্দু বিবাহ (সংশোধন) অধিনিয়ম, ১৯৬৪ ( ১৯৬৪ ৰ ৪৪ )।

৪। বিবাহ বিধি (সংশোধন) অধিনিয়ম, ১৯৭৬ ( ১৯৭৬ ৰ ৬৮ )।

৫। বাল্য বিবাহ বাধা (সংশোধন) অধিনিয়ম, ১৯৭৮ ( ১৯৭৮ ৰ ২ )।

# হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫

## ধাৰা সমূহৰ ক্রম


### প্ৰাৰম্ভিক

ধাৰা সমূহ

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।
২। অধিনিয়মৰ প্রয়োগ।
৩। পৰিভাষা।
৪। অধিনিয়মৰ অধ্যাৰোহী প্ৰভাব।

### হিন্দু বিবাহ

৫। হিন্দু বিবাহৰ বাবে চৰ্ত্তাৱলী।
৬। [ নিৰসিত ]
৭। হিন্দু বিবাহৰ অনুষ্ঠান।
৮। হিন্দু বিবাহৰ পঞ্জীয়ন।

### দাম্পত্য অধিকাৰ পুনৰ আস্থাপন আৰু ন্যায়িক পৃথককৰণ

৯। দাম্পত্য অধিকাৰ পুনৰ আস্থাপন।
১০। ন্যায়িক পৃথককৰণ।

### বিবাহৰ নিষ্ফলতা আৰু বিবাহ বিচ্ছেদ

১১। বাতিল বিবাহ।
১২। বাতিলযোগ্য বিবাহ।
১৩। বিবাহ বিচ্ছেদ।
১৩ক। বিবাহ বিচ্ছেদ কাৰ্য্যবাহীবোৰত বিকল্প প্ৰতিকাৰ।
১৩খ। পাৰস্পৰিক সন্মতিৰে বিবাহ বিচ্ছেদ।
১৪। বিবাহ হোৱাৰ এবছৰৰ ভিতৰত বিবাহ বিচ্ছেদৰ কোনো দৰ্খাস্ত উপস্থাপন নকৰিব।
১৫। বিবাহ বিচ্ছেদ হোৱা ব্যক্তিয়ে আকৌ কেতিয়া বিবাহ কৰাব পাৰিব।
১৬। বাতিল আৰু বাতিলযোগ্য বিবাহৰ সন্তান-সন্ততিৰ বৈধতা।
১৭। দ্বি-বিবাহৰ বাবে দণ্ড।
১৮। হিন্দু বিবাহৰ নিৰ্দিষ্ট আন কিছুমান চৰ্ত্ত উলঙ্ঘনৰ বাবে দণ্ড।

### অধিকাৰিতা আৰু প্রক্রিয়া

১৯। কোন ন্যায়ালয়ত দৰ্খাস্ত উপস্থাপন কৰা হব।
২০। দৰ্খাস্তৰ বিষয় বস্তু আৰু সত্য নিৰূপণ।
২১। ১৯০৮ৰ ৫নং অধিনিয়মৰ প্রয়োগ।
২১ক। কিছুমান গোচৰত দৰ্খাস্ত হস্তান্তৰ কৰাৰ ক্ষমতা।
২১খ। অধিনিয়মখনৰ অধীনত দৰ্খাস্তৰ বিচাৰ আৰু নিষ্পত্তি সম্পৰ্কে বিশেষ উপবন্ধ।
২১গ। দস্তাবেজী সাক্ষ্য।
২২। কাৰ্য্যবাহী গোপনে হব লাগিব আৰু ছপা বা প্ৰকাশ কৰা নহব পাৰে।
২৩। কাৰ্য্যবাহীত ডিক্ৰী।
২৩ক। বিবাহ বিচ্ছেদ আৰু আন কাৰ্য্যবাহীবোৰত প্ৰতিবাদীৰ বাবে প্ৰতিকাৰ।

২৪। বাদকালীন ভৰণ-পোষণ আৰু কাৰ্য্যবাহীৰ বাবে খৰছ।
২৫। স্থায়ী নিৰ্বাহ ব্যয় আৰু ভৰণ-পোষণ।
২৬। সন্তান সন্ততিৰ অভিৰক্ষা।
২৭। সম্পত্তিৰ নিষ্পত্তি।
২৮। ডিক্ৰী আৰু আদেশৰ পৰা আপীল।
২৮ক। ডিক্ৰী আৰু আদেশ সমূহৰ বলবৎ কৰণ।

ব্যাবৃত্তি আৰু নিৰসন

২৯। ব্যাবৃত্তি।
৩০। [ নিৰসিত ]

# হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫

( ১৯৫৫ চনৰ ২৫ নং ) [১]

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

[ ১৮ মে, ১৯৫৫ ]

হিন্দু সকলৰ মাজত বিবাহ সম্বন্ধীয় বিধিৰ সংশোধন আৰু সংহিতাবদ্ধ কৰাৰ অৰ্থে এখন অধিনিয়ম।

ভাৰত গণৰাজ্যৰ ষষ্ঠ বছৰত সংসদৰ দ্বাৰা নিম্নলিখিত ধৰণে অধিনিয়মিত হওক :-

## প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম আৰু বিস্তাৰ।**

১। (১) এই অধিনিয়মখন হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ বুলি অভিহিত কৰা হৈছে।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হৈছে আৰু এই অধিনিয়ম বিস্তৃত হোৱা ৰাজ্য ক্ষেত্ৰৰ যিবিলাক হিন্দু অধিবাসী উক্ত ৰাজ্যক্ষেত্ৰৰ বাহিৰত আছে তেওঁলোকৰ মাজতো প্ৰয়োগ হৈছে।

**অধিনিয়মৰ প্ৰয়োগ।**

২। (১) এই অধিনিয়ম প্ৰয়োগ হৈছে —

(ক) বীৰশৈৱ, লিঙ্গায়ত বা ব্ৰাহ্ম, প্ৰাৰ্থনা অথবা আৰ্য্যসমাজৰ অনুগামী সকলক অন্তৰ্গত কৰি হিন্দু ধৰ্মৰ যি কোনো এক ৰূপ বা বিকাশ মতে ধৰ্মত হিন্দু হোৱা যি কোনো ব্যক্তিৰ ওপৰত,

(খ) এনে কোনো ব্যক্তিৰ ওপৰত যিজন ধৰ্মত বৌদ্ধ, জৈন বা শিখ হয়, আৰু

(গ) আন তেনে কোনো ব্যক্তিৰ ওপৰত, যি এই অধিনিয়ম বিস্তৃত হোৱা ৰাজ্যক্ষেত্ৰৰ এজন অধিবাসী, যিজন মুছলমান, খৃষ্টিয়ান, পাৰ্চি বা ইহুদী ধৰ্মাবলম্বী নহয়, যদিহে এইটো প্ৰমাণিত নহয় যে এই অধিনিয়ম পাৰিত নোহোৱাহেঁতেন এনে কোনো ব্যক্তি ইয়াত ব্যবস্থিত বিষয়সমূহৰ কোনোটোৰ সম্পৰ্কত হিন্দু বিধি বা সেই বিধিৰ অংশ হিচাবে কোনো ৰীতি বা প্ৰথাৰ দ্বাৰা শাসিত নহ'লহেঁতেন।

স্পষ্টীকৰণ :- নিম্ন লিখিত ব্যক্তিসকল ধৰ্মত, ক্ষেত্ৰবিশেষে হিন্দু, বৌদ্ধ, জৈন বা শিখ :-

(ক) কোনো বৈধ বা অবৈধ শিশু, যাৰ পিতৃ-মাতৃ দুয়োজন ধৰ্মত হিন্দু, বৌদ্ধ, জৈন বা শিখ ;

(খ) কোনো বৈধ বা অবৈধ শিশু, যাৰ পিতৃ-মাতৃৰ কোনো এজন ধৰ্মত হিন্দু, বৌদ্ধ, জৈন বা শিখ আৰু যি, যাৰ পিতৃ-মাতৃ যিটো জনজাতি, সম্প্ৰদায়, সমষ্টি বা পৰিয়ালৰ অন্তৰ্গত বা অন্তৰ্গত আছিল তাৰ সদস্য হিচাবে প্ৰতিপালিত হৈছে ; আৰু

---

১। এই অধিনিয়মখন, ১৯৬৩ ৰ বিনিয়ম ৬ ৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা দাদৰা আৰু নগৰ হাভেলীলৈ ১-৭-১৯৬৫ৰ পৰা প্ৰভাৱী হোৱাকৈ আৰু পণ্ডিচেৰীলৈ ১৯৬৩ৰ বিনিয়ম ৭ ৰ ধাৰা ৩ আৰু অনুসূচী ১ ৰ দ্বাৰা সালসলনি সহ ১-১০-১৯৬৩ ৰ পৰা প্ৰভাৱী হোৱাকৈ বিস্তাৰিত কৰা হৈছিল।

(গ) কোনো ব্যক্তি যি হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মলৈ ধৰ্মান্তৰী বা পুনঃ ধৰ্মান্তৰী।

(২) উপধাৰা (১)ত কোনো কথা অৰ্ন্তবিষ্ট সত্বেও, এই অধিনিয়মত অন্তৰ্বিষ্ট কোনো কথা সংবিধানৰ অনুচ্ছেদ ৩৬৬ৰ খণ্ড (২৫)ত কৰা অৰ্থ মতে অনুসূচিত জনজাতিৰ ওপৰত প্ৰয়োগ নহব যদি কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অন্যথা নিৰ্দ্দেশ নিদিয়ে।

(৩) এই অধিনিয়মৰ কোনো অংশত থকা "হিন্দু" অভিব্যক্তিৰ অৰ্থ কৰিব লাগিব এনেদৰে যেনিবা ই এজন ব্যক্তিক অন্তৰ্ভুক্ত কৰিছে যি ধৰ্মত হিন্দু নহলেও এজন ব্যক্তি যাৰ ওপৰত এই ধাৰাত অন্তৰ্বিষ্ট উপবন্ধবোৰৰ গুণত এই অধিনিয়ম প্ৰয়োগ হয়।

**পৰিভাষা।** ৩। প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, এই অধিনিয়মত, -

(ক) "ৰীতি আৰু প্ৰথা" অভিব্যক্তি সমূহে একেৰাহে আৰু একেৰূপে বহুদিন পালন কৰা কোনো নিয়মক বুজাব, যিয়ে হিন্দুৰ মাজত কোনো স্থানীয় ক্ষেত্ৰত জনজাতি, সম্প্ৰদায়, সমষ্টি বা পৰিয়ালত বিধিৰ দৰে বলবৎ হৈছে ঃ

পৰন্তু সেই নিয়ম নিৰ্দ্দিষ্ট হব লাগিব আৰু অযুক্তিকৰ বা লোক নীতিৰ বিৰুদ্ধ হব নালাগিব ; আৰু

উপৰন্তু এটা মাত্ৰ পৰিয়ালৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱা কোনো নিয়মৰ ক্ষেত্ৰত সেই পৰিয়ালে তাক বন্ধ কৰা নাই ;

(খ) "জিলা ন্যায়ালয়" মানে কোনো অঞ্চলত থকা মহানগৰ চিভিল ন্যায়ালয় আৰু আন কোনো অঞ্চলত মূল অধিকাৰিতা থকা প্ৰধান চিভিল ন্যায়ালয় আৰু এই অধিনিয়মত ব্যবস্থিত বিষয় সম্পৰ্কে অধিকাৰিতা থকা ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে বিনিৰ্দ্দিষ্ট কৰা আন কোনো চিভিল ন্যায়ালয়ো অন্তৰ্ভুক্ত কৰে ;

(গ) "পূৰ্ণ ৰক্ত" আৰু "অৰ্দ্ধৰক্ত"ৰ - দুজন ব্যক্তিৰ এজনৰ আন জনৰ লগত সম্বন্ধ পূৰ্ণৰক্তৰ বুলি কোৱা হয়, যেতিয়া তেওঁলোকৰ একেজন পূৰ্বজৰ একে পত্নীৰ পৰা জন্ম হয় আৰু অৰ্দ্ধৰক্তৰ বুলি কোৱা হয় যেতিয়া তেওঁলোকৰ একেজন পূৰ্বজৰ পৰা কিন্তু বেলেগ পত্নীৰ দ্বাৰা জন্ম হয় ;

(ঘ) "একোদৰ ৰক্ত" -- দুজন ব্যক্তিৰ এজনৰ আনজনৰ লগত একোদৰ ৰক্তৰ সম্বন্ধৰ বুলি কোৱা হয় যেতিয়া তেওঁলোক একে পূৰ্বজাৰ পৰা কিন্তু বেলেগ বেলেগ পতিৰ দ্বাৰা জন্ম হয় ;

স্পষ্টীকৰণ ঃ- খণ্ডসমূহ (গ) আৰু (ঘ) ত "পূৰ্বজই" পিতৃক আৰু "পূৰ্বজাই" মাতৃক অন্তৰ্ভুক্ত কৰে ;

(ঙ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত নিয়মাবলীৰ দ্বাৰা বিহিত কৰা ;

(চ) (i) "সপিণ্ড সম্বন্ধ", যেতিয়া নির্দেশ কোনো ব্যক্তিৰ প্ৰতি হয়, তেতিয়া মাতৃ যোগে তেওঁৰ ওপৰৰ ফালৰ বংশাবলীত তৃতীয় পুৰুষ (অন্তৰ্ভুক্ত) পৰ্যান্ত আৰু পিতৃ যোগে তেওঁৰ ওপৰৰ ফালৰ বংশাবলীত পঞ্চম পুৰুষ (অন্তৰ্ভুক্ত) পৰ্য্যন্ত বিস্তাৰিত হয় আৰু প্ৰত্যেক ক্ষেত্ৰত বংশাবলী সংশ্লিষ্ট ব্যক্তিজনক প্ৰথম পুৰুষ হিচাবে গণনা কৰি উৰ্দ্ধমুখী হব।

(ii) দুজন ব্যক্তিৰ এজন আন জনৰ 'সপিণ্ড' বুলি কোৱা হয় যদি এজন সপিণ্ড সম্পৰ্কৰ সীমাৰ ভিতৰত থাকি আনজনৰ পুৰুষানুক্ৰমিক পূৰ্ব পুৰুষ হয় বা যদি তেওঁলোকৰ প্ৰত্যেকৰ সম্পৰ্ক এজন উমৈহতীয়া পুৰুষানুক্ৰমিক পূৰ্ব পুৰুষ, যি তেওঁলোকৰ প্ৰত্যেকৰ প্ৰতি নিৰ্দেশেৰে সপিণ্ড সম্পৰ্কৰ সীমাৰ ভিতৰত থাকে ;

(ছ) "নিষিদ্ধ সম্বন্ধৰ ডিগ্ৰী" -- দুজন ব্যক্তিক "নিষিদ্ধ সম্বন্ধৰ ডিগ্ৰী"ৰ ভিতৰত থকা বুলি কোৱা হয় -

(i) যদি এজন আন জনৰ পুৰুষানুক্ৰমিক পূৰ্ব পুৰুষ হয় ; বা

(ii) যদি এজন আন জনৰ পুৰুষানুক্ৰমিক পূৰ্ব পুৰুষ বা বংশধৰৰ পত্নী বা পতি আছিল ; বা

(iii) যদি এজন আন জনৰ ভায়েকৰ, বা পিতৃৰ বা মাতৃৰ ভায়েকৰ, বা ককাকৰ বা আইতাকৰ ভায়েকৰ পত্নী আছিল ; বা

(iv) যদি দুয়োজন ভায়েক আৰু ভনীয়েক, খুৰা আৰু ভতিজী, মামা আৰু ভাগিনী, খুৰী আৰু ভতিজা, মামী আৰু ভাগিন বা ভায়েক আৰু ভনীয়েক বা দুজন ভায়েকৰ বা দুজনী ভনীয়েকৰ লৰা ছোৱালী।

স্পষ্টীকৰণ — (চ) আৰু (ছ) খণ্ডৰ উদ্দেশ্যে সম্বন্ধই —

(i) অৰ্দ্ধৰক্ত বা একোদৰ ৰক্ত আৰু পূৰ্ণ ৰক্তৰ সম্বন্ধ ;

(ii) বৈধ আৰু অবৈধ ৰক্তৰ সম্বন্ধ ;
(iii) দত্তক-গ্ৰহণ আৰু ৰক্তৰ সম্বন্ধ ;

অন্তৰ্ভুক্ত কৰিব আৰু সেইবোৰ খণ্ডত থকা সম্বন্ধৰ সকলো পদৰ অৰ্থ তদনুসাৰে কৰা হব।

**অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ।**

৪। এই অধিনিয়মত অন্যথা স্পষ্টকৈ উপবন্ধিত ব্যতিৰেকে -

(ক) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ অব্যবহিত পূৰ্বলৈ হিন্দু বিধি বা সেই বিধিৰ অংশ হিচাবে ৰীতি বা প্ৰথা বলবৎ থাকিলে তাৰ মূলপাঠ নিয়ম বা নিৰ্বচনৰ প্ৰভাৱ এই অধিনিয়মত উপবন্ধ কৰা যি কোনো বিষয় সম্পৰ্কে অন্ত হব ;

(খ) এই অধিনিয়মত অন্তৰ্বিষ্ট কোনো উপবন্ধৰ সৈতে, এই অধিনিয়ম প্ৰাৰম্ভণিৰ অব্যৱহিত পূৰ্বলৈ, বলবৎ থকা আন যি কোনো বিধি যিমান দূৰ অসঙ্গত হয়, সিমান দূৰ তাৰ প্ৰভাব অন্ত হব।

## হিন্দু বিবাহ

**হিন্দু বিবাহৰ বাবে চৰ্ত্তাৱলী।**

৫। নিম্নলিখিত চৰ্ত্তসমূহ পূৰণ হলে দুজন হিন্দুৰ মাজত এখন বিবাহ অনুষ্ঠিত হব পাৰে, অৰ্থাৎ -

(i) বিবাহৰ সময়ত কোনো পক্ষৰে জীবিত পতি বা পত্নী নাই ;

[১] [(ii) বিবাহৰ সময়ত পক্ষসকলৰ ভিতৰত কোনো পক্ষ --

(ক) চিত্ত বিকৃতিৰ পৰিণাম স্বৰূপে বিধিমান্য সন্মতি দিবলৈ অসমৰ্থ নহয় ; বা

(খ) বিধিমান্য সন্মতি দিবলৈ সমৰ্থ হলেও, এনে প্ৰকাৰৰ বা ইমান পৰ্য্যন্ত মানসিক বিকাৰত ভুগি থকা নাই যে বিবাহ আৰু সন্তান প্ৰজননৰ বাবে অযোগ্য ; বা

(গ) তেওঁ বাৰে বাৰে উন্মাদতা বা মৃগী ৰোগাধীন হৈ থকা নাই ; ]

(iii) বিবাহৰ সময়ত দৰাৰ [২] [ একৈশ বছৰ ] বয়স আৰু কইনাৰ [২] [ ওঠৰ বছৰ ] বয়স পূৰ্ণ হৈছে ;

(iv) পক্ষগণ নিষিদ্ধ সম্বন্ধৰ ডিগ্ৰীৰ ভিতৰত নাথাকে, যদিহে তেওঁলোকৰ প্ৰতিজনক শাসিত কৰা ৰীতি বা প্ৰথাই দুয়োজনৰ মাজত বিবাহ হোৱাটোত অনুমতি নিদিয়ে ;

(v) পক্ষগণৰ এজন আনজনৰ সপিণ্ড নহয়, যদিহে তেওঁলোকৰ প্ৰতিজনক শাসিত কৰা ৰীতি বা প্ৰথাই দুয়োজনৰ মাজত বিবাহ হোৱাটোত অনুমতি নিদিয়ে।

[৩] x x x x x x x

[৪] [ ৬। x x x x x]

**হিন্দু বিবাহৰ অনুষ্ঠান।**

৭। (১) কোনো হিন্দু বিবাহ তাৰ পক্ষগণৰ প্ৰথাগত আচাৰ আৰু অনুষ্ঠান অনুসৰি অনুষ্ঠিত কৰিব পাৰিব।

(২) যি ক্ষেত্ৰত এনে আচাৰ আৰু অনুষ্ঠানে "সপ্তপদী" (অৰ্থাৎ দৰা আৰু কইনাই একেলগে হোমাগ্নিৰ সন্মুখত সাত বাৰ খোজ কঢ়া ) অন্তৰ্ভুক্ত কৰে তাত সপ্তম খোজ লোৱাৰ লগে লগে বিবাহ সম্পূৰ্ণ আৰু বাধ্যকাৰী হৈ পৰিব।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা খণ্ড (ii)ৰ বাবে প্ৰতিষ্ঠাপিত।
২। ১৯৭৮ চনৰ ২নং অধিনিয়মৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২-১০-১৯৭৮ৰ পৰা প্ৰভাৱী হোৱাকৈ )
৩। ১৯৭৮ চনৰ অধিনিয়ম ২ৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা খণ্ড (vi) লোপ কৰা হৈছে।
৪। একে অধিনিয়মৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা ধাৰা ৬ লোপ কৰা হৈছে।

**হিন্দু বিবাহৰ পঞ্জীয়ন ।**

৮। (১) হিন্দু বিবাহৰ প্ৰমাণৰ সুবিধাৰ্থে, এনে বিবাহৰ পক্ষগণে তেওঁলোকৰ বিবাহৰ সবিশেষ বিবৰণ নিৰ্দ্ধাৰিত কৰিব পৰা হিচাপে এনে ধৰণে আৰু এনে চৰ্ত্তাৱলী সাপেক্ষে এনে উদ্দেশ্যে ৰখা হিন্দু বিবাহ পঞ্জীত ভৰ্ত্তি কৰাবৰ বাবে উপবন্ধ কৰি ৰাজ্য চৰকাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) উপধাৰা (১)ত অন্তৰ্বিষ্ট কোনো কথা সত্ত্বেও ৰাজ্য চৰকাৰে যদি মত প্ৰকাশ কৰে যে ৰাজ্যত বা তাৰ কোনো অংশত বিনিৰ্দিষ্ট কৰা সকলো ক্ষেত্ৰতে হওক বা এনে কিছুমান ক্ষেত্ৰতে হওক এইটো প্ৰয়োজনীয় বা বিধেয় হব, তেন্তে উপধাৰা (১)ত নিৰ্দিষ্ট সবিশেষ বিৱৰণৰ ভৰ্ত্তিকৰণটো বাধ্যতামূলক কৰাৰ বাবে উপবন্ধ কৰিব পাৰিব, আৰু য'ত এনে নিৰ্দেশ জাৰি কৰা হৈছে তাত কোনো ব্যক্তিয়ে এই মৰ্মে কৰা কোনো নিয়ম উলঙ্ঘা কৰিলে তেওঁ পঁচিশ টকা পৰ্য্যন্ত বিস্তৃত হব পৰা জৰিমণাৰে দণ্ডনীয় হব ।

(৩) এই ধাৰাৰ অধীনত প্ৰণীত সকলো নিয়ম সেইবোৰ প্ৰণয়ন কৰাৰ পিছত যিমান সোনকালে সম্ভব হয় ৰাজ্যিক বিধান মণ্ডলৰ সন্মুখত উপস্থাপন কৰিব ।

(৪) হিন্দু বিবাহ পঞ্জীয়ন সকলো যুক্তিযুক্ত সময়ত পৰিদৰ্শনৰ বাবে মুকলি থাকিব লাগিব আৰু তাত অন্তৰ্ভুক্ত বিবৰণবোৰ সাক্ষ্য হিচাপে গ্ৰাহ্য হব আৰু আবেদন কৰিলে পঞ্জীয়কে বিহিত মাচুল লৈ তাৰ প্ৰমাণিত উদ্ধৃতি দিব ।

(৫) এই ধাৰাত কোনো কথা অন্তৰ্বিষ্ট সত্ত্বেও ভৰ্ত্তিকৰণৰ ক্ৰটীয়ে কোনো হিন্দু বিবাহৰ বিধিমান্যতাক কোনোপধ্যে প্ৰভাবিত নকৰিব ।

## দাম্পত্য অধিকাৰ পুনৰ আস্থাপন আৰু ন্যায়িক পৃথককৰণ

**দাম্পত্য অধিকাৰ পুনৰ আস্থাপন ।**

৯। [১] x x x যদি পতি বা পত্নীয়ে কোনো যুক্তিযুক্ত কাৰণ নোহোৱাকৈ আনজনৰ সঙ্গ পৰিহাৰ কৰে, ব্যথিত পক্ষই জিলা ন্যায়ালয়ত দাম্পত্য অধিকাৰ পুনৰ আস্থাপনৰ বাবে দৰ্খাস্তৰ দ্বাৰা আবেদন কৰিব পাৰিব আৰু ন্যায়ালয়ে এনে দৰ্খাস্তত কৰা উক্তিৰ সত্যতাত সন্তুষ্ট হলে আৰু আবেদন কিয় মঞ্জুৰ কৰা নহব তাৰ যদি কোনো বিধি সঙ্গত কাৰণ নাথাকে, তেন্তে তদনুসাৰে দাম্পত্য অধিকাৰ পুনৰ আস্থাপনৰ ডিক্ৰী দিব পাৰিব ।

[২] [ স্পষ্টীকৰণ - যি ক্ষেত্ৰত সঙ্গ পৰিহাৰৰ বাবে যুক্তিযুক্ত কাৰণ আছে নে নাই সেই সম্বন্ধে প্ৰশ্ন উঠে, তেনে ক্ষেত্ৰত যুক্তিযুক্ত কাৰণ প্ৰমাণ কৰাৰ ভাৰ সেই ব্যক্তিৰ ওপৰত পৰিব, যি সঙ্গ পৰিহাৰ কৰিছে । ]

[৩] x x x x

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা বন্ধনী আৰু সংখ্যা "(১)" লোপ কৰা হৈছে ।
২। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত ।
৩। উক্ত অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা উপধাৰা (২) লোপ কৰা হৈছে ।

**ন্যায়িক পৃথক কৰণ ।** ১০। [1][(১) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছতেই অনুষ্ঠিত হওক, বিবাহৰ কোনো পক্ষই, ধাৰা ১৩ৰ (১) উপধাৰাত বিনিৰ্দ্দিষ্ট কোনো আধাৰত আৰু পত্নীৰ ক্ষেত্ৰত উক্ত ধাৰাৰ (২) উপধাৰাত বিনিৰ্দ্দিষ্ট কোনো আধাৰতো, যিটোৰ ওপৰত বিবাহ বিচ্ছেদৰ বাবে দৰ্খাস্ত কৰিব পাৰিলেহেঁতেন, ন্যায়িক পৃথককৰণৰ ডিক্ৰীৰ বাবে প্ৰাৰ্থনা কৰি দৰ্খাস্ত দাখিল কৰিব পাৰিব । ]

(২) ন্যায়িক পৃথক কৰণৰ ডিক্ৰী দিয়া হলে দৰ্খাস্তকাৰীয়ে প্ৰতিবাদীৰ সৈতে সহবাস কৰাটো বাধ্যতামূলক হৈ নাথাকিব, কিন্তু ন্যায়ালয়ে কোনো পক্ষৰ দৰ্খাস্তযোগে কৰা আবেদন ক্ৰমে আৰু এনে আবেদনত কৰা উক্তিৰ সত্যতাত সন্তুষ্ট হলে ডিক্ৰী বিখণ্ডিত কৰিব পাৰে যদি ন্যায়ালয়ে সেইটো ন্যায্য আৰু যুক্তিযুক্ত বুলি বিবেচনা কৰে ।

## বিবাহৰ নিষ্ফলতা আৰু বিবাহ বিচ্ছেদ

**বাতিল বিবাহ ।** ১১। এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পিছত অনুষ্ঠিত হোৱা যি কোনো বিবাহ নিষ্ফল আৰু বাতিল হব আৰু তাৰ কোনো পক্ষই [2][ আন পক্ষৰ বিৰুদ্ধে ] কৰা দৰ্খাস্ত ক্ৰমে নিষ্ফলতাৰ ডিক্ৰীৰ দ্বাৰা তেনে ঘোষণা কৰা হব, যদি ই ধাৰা ৫ৰ খণ্ডসমূহ (i), (iv) আৰু (v)ত বিনিৰ্দ্দিষ্ট চৰ্ত্তসমূহৰ কোনোটো উলংঘা কৰে ।

**বাতিলযোগ্য বিবাহ ।** ১২। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বেই বা পিছতেই হওক, কোনো বিবাহ অনুষ্ঠিত হলে বাতিলযোগ্য হব আৰু নিষ্ফলতাৰ ডিক্ৰীৰ দ্বাৰা নিম্নলিখিত কাৰণসমূহৰ যি কোনো এটাৰ দ্বাৰা বাতিল কৰিব পাৰিব, অৰ্থাৎ ঃ-

[3][(ক) যে প্ৰতিবাদীৰ পুৰুষত্বহীনতাৰ বাবে বিবাহোত্তৰ সম্ভোগ হোৱা নাই ; বা ]

(খ) যে বিবাহখন ধাৰা ৫ৰ (ii) খণ্ডত নিৰ্দ্দিষ্ট চৰ্ত্তৰ উলংঘন কৰি হৈছে ; বা

(গ) যে দৰ্খাস্তকাৰীৰ সন্মতি বা যত [4][ ৫ ধাৰাৰ অধীনত বাল্য বিবাহ বাধা ( সংশোধন ) অধিনিয়ম, ১৯৭৮ত থকা মতে বিবাহৰ বাবে দৰ্খাস্তকাৰীৰ অভিভাবকৰ সন্মতি অপেক্ষিত হয় এনে অভিভাবকৰ সন্মতি বল প্ৰয়োগ কৰি [5][ অনুষ্ঠানৰ প্ৰকৃতি সম্বন্ধে বা প্ৰতিবাদী সম্বন্ধে কোনো বাস্তব তথ্য বা পৰিস্থিতি সম্বন্ধে ] প্ৰবঞ্চনা কৰি লোৱা হৈছে - ১৯৭৮ ৰ ২।

(ঘ) যে প্ৰতিবাদী বিবাহৰ সময়ত দৰ্খাস্তকাৰীৰ বাহিৰে আন কোনো ব্যক্তিৰ দ্বাৰা গৰ্ভবতী আছিল ।

(২) উপধাৰা (১)ত অন্তৰ্বিষ্ট কোনো কথা সত্বেও বিবাহ বাতিলকৰণৰ বাবে কোনো দৰ্খাস্ত -

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত ।
৩। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা খণ্ড (ক)ৰ বাবে প্ৰতিষ্ঠাপিত ।
৪। ১৯৭৮ চনৰ ২নং অধিনিয়মৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত (১-১০-১৯৭৮ৰ পৰা প্ৰভাৱী হোৱাকৈ)
৫। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৬ক দ্বাৰা "বা প্ৰবঞ্চনা"ৰ বাবে প্ৰতিষ্ঠাপিত ।

(ক) উপধাৰা (১)ৰ (গ) খণ্ডত বিনির্দ্দিষ্ট কাৰণত গ্ৰহণ কৰা নহব, যদি -

(i) দৰ্খাস্তখন, ক্ষেত্ৰবিশেষে, বলৰ কাৰ্য্যকাৰিতা শেষ হোৱাৰ বা প্ৰৱঞ্চনা প্ৰকাশ পোৱাৰ এবছৰতকৈ বেছি পিছত দিয়া হৈছে ; বা

(ii) দৰ্খাস্তকাৰীয়ে, ক্ষেত্ৰবিশেষে, বলৰ কাৰ্য্যকাৰিতা শেষ হোৱাৰ বা প্ৰৱঞ্চনা প্ৰকাশ পোৱাৰ পিছত তেওঁৰ সম্পূৰ্ণ সন্মতিসহ বিবাহৰ আন পক্ষৰ সৈতে পতি বা পত্নী হিচাবে বাস কৰিছে ;

(খ) উপধাৰা (১)ৰ (ঘ) খণ্ডত বিনির্দ্দিষ্ট কাৰণত গ্ৰহণ কৰা নহব যদি ন্যায়ালয় সন্তুষ্ট নহয় -

(i) যে দৰ্খাস্তকাৰী বিবাহৰ সময়ত অভিকথিত তথ্যসমূহ সম্পৰ্কে অজ্ঞ আছিল ;

(ii) যে এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে অনুষ্ঠিত বিবাহৰ ক্ষেত্ৰত এনে প্ৰাৰম্ভণিৰ এবছৰৰ ভিতৰত আৰু এনে প্ৰাৰম্ভণিৰ পিছত অনুষ্ঠিত বিবাহৰ ক্ষেত্ৰত বিবাহৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত কাৰ্য্যবাহী ৰুজু কৰা হৈছে ; আৰু

(iii) যে দৰ্খাস্তকাৰীয়ে [1] [ উক্ত কাৰণ ] ৰ অস্তিত্ব আবিষ্কাৰ কৰাৰ পৰা দৰ্খাস্তকাৰীৰ সন্মতিত বৈবাহিক সম্ভোগ হোৱা নাই ।

**বিবাহ বিচ্ছেদ ।** ১৩। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছতেই অনুষ্ঠিত হওক কোনো বিবাহ, পতি বা পত্নীয়ে দিয়া দৰ্খাস্ত ক্ৰমে বিবাহ বিচ্ছেদ ডিক্ৰীৰ দ্বাৰা বিঘটিত কৰি দিব পাৰে এই কাৰণত যে আন পক্ষই --

[2] [(i) বিবাহ অনুষ্ঠিত হোৱাৰ পিছত, তেওঁৰ পতি বা পত্নীৰ বাহিৰে কোনো ব্যক্তিৰ সৈতে স্বেচ্ছাই যৌন সঙ্গম কৰিছিল ; বা

(iক) বিবাহ অনুষ্ঠিত হোৱাৰ পিছত দৰ্খাস্তকাৰীক নিৰ্দ্দয়তাৰে ব্যৱহাৰ কৰিছিল ; বা

(iখ) দৰ্খাস্ত দাখিল কৰাৰ অব্যৱহিত পূৰ্বে দুবছৰতকৈ কম নোহোৱা নিৰবছিন্ন কালৰ বাবে দৰ্খাস্তকাৰীক পৰিত্যাগ কৰিছিল ; বা ]

(ii) আন ধৰ্মলৈ ধৰ্মান্তৰৰ দ্বাৰা হিন্দু হবলৈ এৰিছে ; বা

[3] [(iii) দুৰাৰোগ্যভাৱে বিকৃত চিত্তৰ বা একেৰাহে বা এৰাধৰাকৈ এনে প্ৰকাৰৰ আৰু এনে মাত্ৰাৰ মানসিক অসুস্থতাত ভুগি আছে যে দৰ্খাস্তকাৰী যুক্তিযুক্ত ভাৱে প্ৰতিবাদীৰ সৈতে বাস কৰাটো আশা কৰিব নোৱাৰি ।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা "ডিক্ৰীৰ বাবে কাৰণ"ৰ বাবে প্ৰতিষ্ঠাপিত ।
২। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা খণ্ড (i)ৰ বাবে প্ৰতিষ্ঠাপিত ।
৩। এই অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা খণ্ড (iii)ৰ বাবে প্ৰতিষ্ঠাপিত ।

**স্পষ্টীকৰণ** - এই খণ্ডত, --

(ক) 'মানসিক বিকাৰ' অভিব্যক্তি মানে মানসিক ৰোগ, মস্তিষ্কৰ বাধাগ্ৰস্ত বা অপূৰ্ণ বিকাশ, মনোবিকৃতি বা মস্তিষ্কৰ আন কোনো অসুস্থতা বা অক্ষমতা আৰু বিখণ্ডিত মনস্কতা (চিজোফ্ৰেনিয়া) অন্তৰ্ভুক্ত কৰে ;

(খ) 'মনোবিকৃতি' অভিব্যক্তিৰ মানে হৈছে মস্তিষ্কৰ দীৰ্ঘস্থায়ী অসুস্থতা বা অক্ষমতা ( বুদ্ধিৰ অব-সামান্যতা ধৰি হওক বা নহওক ) যাৰ পৰিণামত আন পক্ষৰ আচৰণ অসাধাৰণ ভাবে আক্ৰমণাত্মক বা অতিশয় দায়িত্বহীন হৈ পৰে আৰু ইয়াৰ বাবে চিকিৎসাৰ প্ৰয়োজন হওক বা নহওক বা চিকিৎসা গ্ৰহণক্ষম হওক বা নহওক ; বা ]

(iv) [১] x x x মাৰাত্মক আৰু দুৰাৰোগ্য ধৰণৰ কুষ্ঠ ৰোগত ভুগি আছে ; বা

(v) [১] x x x সংক্ৰামক ধৰণৰ যৌন ৰোগত ভুগি আছে ; বা

(vi) কোনো ধৰ্ম পন্থাত প্ৰবেশ কৰি সংসাৰ ত্যাগ কৰিছে ; বা

(vii) সাত বছৰ বা ততোধিক কাল, যিবিলাকে স্বাভাবিকতে সেই ব্যক্তি জীৱিত থাকিলে, শুনিলে হেঁতেন, সেইবিলাক ব্যক্তিয়ে জীৱিত থকা বুলি শুনা নাই ।

[২] x x x x

[৩] [ স্পষ্টীকৰণ - এই উপধাৰাত 'পৰিত্যাগ' অভিব্যক্তিৰ অৰ্থ হৈছে, দৰ্খাস্তকাৰীক বিবাহৰ আন পক্ষই যুক্তিযুক্ত কাৰণ নোহোৱাকৈ এনে পক্ষৰ বিনা সন্মতিৰে বা এনে পক্ষৰ ইচ্ছাৰ বিৰুদ্ধে পৰিত্যাগ কৰা, আৰু বিবাহৰ আন পক্ষৰ দ্বাৰা দৰ্খাস্তকাৰীক ইচ্ছাকৃতভাৱে অৱহেলা কৰাটো পৰে আৰু ইয়াৰ ব্যাকৰণিক পৰিবৰ্তন আৰু সজাতীয় অভিব্যক্তি সমূহৰ অৰ্থ তদনুসাৰে কৰিব লাগিব । ]

[৪] [(১ক) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছত অনুষ্ঠিত হোৱা বিবাহৰ যি কোনো এটা পক্ষই বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ দ্বাৰা বিবাহ বিঘটনৰ বাবে এই কাৰণতো দৰ্খাস্ত দাখিল কৰিব পাৰিব -

(i) যে কোনো পাৰিত কাৰ্য্যবাহী যিটোৰ তেওঁলোক পক্ষ আছিল ন্যায়িক পৃথককৰণৰ ডিক্ৰীৰ পিছত [৫] [এবছৰ] বা ততোধিক কাল বিবাহৰ পক্ষগণৰ মাজত সহবাসৰ পুনৰাৰম্ভ হোৱা নাই ; বা

(ii) যে কোনো পাৰিত কাৰ্য্যবাহীত যিটোত তেওঁলোক পক্ষ আছিল দাম্পত্য অধিকাৰ পুনৰ আস্থাপনৰ ডিক্ৰীৰ পিছত [৫] [এবছৰ] বা ততোধিক কাল বিবাহৰ পক্ষগণৰ মাজত দাম্পত্য অধিকাৰৰ পুনৰ আস্থাপন হোৱা নাই ।]

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহ লোপ কৰা হৈছে ।
২। ১৯৬৪ চনৰ ৪৪নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা খণ্ড (vii) ৰ শেষত থকা "বা" শব্দটো আৰু খণ্ডসমূহ (viii) আৰু (ix) লোপ কৰা হৈছে ।
৩। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা অন্তঃস্থাপিত ।
৪। ১৯৬৪ চনৰ ৪৪ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত ।
৫। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা শব্দসমূহ "দুই বছৰ" ৰ বাবে প্ৰতিষ্ঠাপিত ।

(২) পত্নীয়েও বিবাহ বিচ্ছেদ ডিক্ৰীৰ দ্বাৰা তেওঁৰ বিবাহ বিঘটনৰ বাবে দৰ্খাস্ত এই কাৰণত উপস্থাপন কৰিব পাৰে, -

(i) এই অধিনিয়ম প্ৰাৰম্ভণিৰ পূৰ্বে অনুষ্ঠিত হোৱা বিবাহৰ ক্ষেত্ৰত পতিয়ে এনে প্ৰাৰম্ভণিৰ পূৰ্বে পুনৰ বিবাহ কৰিছিল বা এনে প্ৰাৰম্ভণিৰ পূৰ্বে দৰ্খাস্তকাৰীৰ লগত বিবাহ অনুষ্ঠিত হোৱাৰ সময়ত পতিৰ বিবাহ হোৱা আন কোনো পত্নী জীৱিত আছিল ঃ

পৰন্তু দৰ্খাস্ত উপস্থাপন কৰা সময়ত দুয়োটা ক্ষেত্ৰত আন গৰাকী পত্নী জীৱিত থাকিব লাগিব ।

(ii) যে বিবাহ অনুষ্ঠানৰ পিছত পতি বলাৎকাৰ, পুংমৈথুন বা [1][পশুগমন] দোষত দোষী হৈছে ; [1][বা]

[2][ (iii) যে হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬ (১৯৫৬ ৰ ৭৮) ৰ ধাৰা ১৮ ৰ অধীনৰ কোনো বাদত বা দণ্ড প্ৰক্ৰিয়াসংহিতা, ১৯৭৩ (১৯৭৪ ৰ ২)ৰ ধাৰা ১২৫ৰ অধীনৰ বা দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ (১৮৯৮ ৰ ৫) ৰ অনুৰূপ ধাৰা ৪৮৮ ৰ অধীনৰ কোনো কাৰ্যবাহীত পত্নীক ভৰণ-পোষণ দিবৰ কাৰণে পতিৰ বিৰুদ্ধে, ক্ষেত্ৰ-বিশেষে, ডিক্ৰী বা আদেশ পাৰিত কৰা হৈছে এই কথা সত্ত্বেও যে তেওঁ পৃথককৈ বাস কৰিছিল, আৰু এই ডিক্ৰী বা আদেশ পাৰিত হোৱাৰ পিছত এবছৰ বা ততোধিক কাল, পক্ষসকলৰ মাজত সহবাস পুনৰ আৰম্ভ হোৱা নাই ;

১৯৫৬ ৰ ৭৮ ।
১৯৭৪ ৰ ২ ।
১৮৯৮ ৰ ৫ ।

(iv) যে তেওঁৰ বিবাহ (বিবাহোত্তৰ সম্ভোগ হওক বা নহওক) তেওঁৰ পোন্ধৰ বছৰ বয়স পূৰ্ণ হোৱাৰ পূৰ্বে অনুষ্ঠিত কৰা হৈছিল আৰু তেওঁ সেই বয়স প্ৰাপ্ত হোৱাৰ পিছত কিন্তু ওঠৰ বছৰ বয়স প্ৰাপ্ত হোৱাৰ পূৰ্বে সেই বিবাহ অগ্ৰাহ্য কৰিছে ।

**স্পষ্টীকৰণ** - এই খণ্ডটো বিবাহ, বিবাহ বিধি (সংশোধন) অধিনিয়ম, ১৯৭৬ ( ১৯৭৬ৰ ৬৮ )ৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছত অনুষ্ঠিত হওক বা নহওক, প্ৰযোজ্য হব । ]

১৯৭৬ ৰ ৬৮ ।

**বিবাহ বিচ্ছেদ কাৰ্য্যবাহীবোৰত বিকল্প প্ৰতিকাৰ ।**

[3][১৩ক । বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ দ্বাৰা বিবাহ বিঘটনৰ বাবে কৰা দৰ্খাস্ত ক্ৰমে, এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত ধাৰা ১৩ৰ উপধাৰা (১) ৰ খণ্ডসমূহ (ii), (vi) আৰু (vii)ত উল্লিখিত আধাৰৰ ওপৰত যিমানদূৰ দৰ্খাস্ত প্ৰতিষ্ঠিত হয়, সেই ক্ষেত্ৰ বাতিৰেকে, ন্যায়ালয়ে গোচৰটোৰ পৰিস্থিতিলৈ দৃষ্টি ৰাখি ন্যায়সঙ্গত বুলি ভাবিলে, বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ পৰিবৰ্ত্তে ন্যায়িক পৃথককৰণৰ বাবে ডিক্ৰী পাৰিত কৰিব পাৰিব ।

পাৰস্পৰিক সন্মতিৰে বিবাহ বিচ্ছেদ ।

১৩খ । (১) এই অধিনিয়মৰ উপবন্ধসমূহ সাপেক্ষে বিবাহৰ দুয়োপক্ষই একেলগে, বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ দ্বাৰা বিবাহ বিঘটনৰ কাৰণে দৰ্খাস্ত, এই বিবাহ, বিবাহ বিধি (সংশোধন) অধিনিয়ম, ১৯৭৬ৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছতেই অনুষ্ঠিত কৰা হওক লাগিলে, জিলা ন্যায়ালয়ত উপস্থাপন কৰিব পাৰিব এই আধাৰত যে তেওঁলোকে এবছৰ বা ততোধিক কালৰ পৰা পৃথক পৃথককৈ আছে, আৰু যে তেওঁলোকে একেলগে বাস কৰিবলৈ সমৰ্থ হোৱা নাই আৰু তেওঁলোকে পৰস্পৰে বিবাহ বিঘটিত হব লাগে বুলি সন্মতি দিছে ।

১৯৭৬ ৰ ৬৮ ।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা অন্তঃস্থাপিত ।
৩। উক্ত অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে ।

(২) উপধাৰা (১)ত নিৰ্দিষ্ট দৰ্খাস্ত উপস্থাপনৰ তাৰিখৰ ছয়মাহৰ পিছত আৰু উক্ত তাৰিখৰ পৰা ওঠৰ মাহৰ পূৰ্বে দুয়োপক্ষই দিয়া প্ৰস্তাব মতে যদি ইতিমধ্যে দৰ্খাস্ত প্ৰত্যাহাৰ কৰা নহয়, ন্যায়ালয়ে পক্ষসকলক শুনাৰ পিছত আৰু উচিত বুলি ভবা এনে তদন্ত কৰাৰ পিছত, বিবাহ অনুষ্ঠিত হৈছে বুলি আৰু দৰ্খাস্তত কৰা দৃঢ়োক্তি সঁচা হয় বুলি সন্তুষ্ট হোৱাৰ পিছত বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ তাৰিখৰ পৰা বিবাহ বিঘটিত বুলি ঘোষণা কৰি বিবাহ বিচ্ছেদৰ ডিক্ৰী পাৰিত কৰিব পাৰিব । ]

**বিবাহ হোৱাৰ এবছৰৰ ভিতৰত বিবাহ বিচ্ছেদৰ কোনো দৰ্খাস্ত উপস্থাপন নকৰিব ।**

১৪। (১) এই অধিনিয়মত অন্তৰ্বিষ্ট কোনো কথা সত্ত্বেও, বিবাহ বিচ্ছেদ ডিক্ৰীৰ দ্বাৰা বিবাহ বিঘটনৰ কোনো দৰ্খাস্ত গ্ৰহণ কৰিবলৈ কোনো ন্যায়ালয় ক্ষমতাযুক্ত নহব, [১] [ যদি বিবাহৰ তাৰিখৰ পৰা দৰ্খাস্ত উপস্থাপন কৰা তাৰিখলৈ এবছৰ অতিবাহিত হোৱা নাই ] ঃ

পৰন্তু উচ্চ ন্যায়ালয়ে এই মৰ্মে প্ৰণয়ন কৰা এনে কোনো নিয়ম অনুসৰি, কৰা আবেদনক্ৰমে দৰ্খাস্তকাৰীৰ বাবে অসাধাৰণ কষ্টদায়ক বা প্ৰতিবাদীৰ অসাধাৰণ দুশ্চৰিত্ৰতাৰ কাৰণত, ন্যায়ালয়ে তেনে দৰ্খাস্ত বিবাহৰ তাৰিখৰ পৰা [১] [ এবছৰ অতিবাহিত হোৱাৰ পূৰ্বে ] উপস্থাপন কৰিবলৈ অনুমতি দিব পাৰিব, কিন্তু ন্যায়ালয়ে যদি দৰ্খাস্ত শুনানিৰ সময়ত দেখে যে দৰ্খাস্তকাৰীয়ে গোচৰৰ প্ৰকৃতিক মিথ্যা বৰ্ণনা দি বা গোপন কৰি দৰ্খাস্ত উপস্থাপন কৰিবলৈ অনুমতি লাভ কৰিছিল, তেন্তে ন্যায়ালয়ে ডিক্ৰী দিয়াৰ ক্ষেত্ৰত এই চৰ্ত্ত সাপেক্ষে দিব পাৰিব যে বিবাহৰ তাৰিখৰ পৰা [১] [ এবছৰ অবসান ] নোহোৱালৈকে ডিক্ৰী কাৰ্যকৰী নহব, বা এনে ধৰণে খাৰিজ হোৱা দৰ্খাস্তৰ সমৰ্থনত অভিকথিত একে বা সাৰতঃ একে তথ্যসমূহৰ ওপৰত [১] [ উক্ত এবছৰ অবসান ] হোৱাৰ পিছত উপস্থাপন কৰিব পৰা দৰ্খাস্তৰ বিনা পক্ষপাতে দৰ্খাস্তখন খাৰিজ কৰিব পাৰিব ।

(২) এই ধাৰাৰ অধীনত বিবাহৰ তাৰিখৰ পৰা [১] [ এবছৰ অবসান ] হোৱাৰ পূৰ্বে বিবাহ বিচ্ছেদৰ দৰ্খাস্ত উপস্থাপন কৰাৰ অনুমতিৰ বাবে কোনো আবেদন নিষ্পত্তি কৰিবলৈ হলে ন্যায়ালয়ে বিবাহৰ সন্তান সন্ততিৰ স্বাৰ্থৰ প্ৰতি আৰু [১] [ উক্ত এবছৰ ] অন্ত হোৱাৰ আগতে পক্ষগণৰ মাজত পুনৰ্মিলনৰ যুক্তিযুক্ত সম্ভাবনাৰ প্ৰতি লক্ষ্য ৰাখিব ।

**বিবাহ বিচ্ছেদ হোৱা ব্যক্তিয়ে আকৌ কেতিয়া বিবাহ কৰাব পাৰিব ।**

১৫। যেতিয়া বিবাহ এখন বিবাহ বিচ্ছেদ ডিক্ৰীৰ দ্বাৰা বিঘটিত কৰি দিয়া হৈছে আৰু হয় , সেই ডিক্ৰীৰ বিৰুদ্ধে কোনো আপীল কৰাৰ অধিকাৰ নাই বা যদি তেনে আপীল কৰাৰ অধিকাৰ আছে, কিন্তু কোনো আপীল উপস্থাপন নকৰাকৈয়ে আপীলৰ সময় অতিবাহিত হৈ গৈছে, বা আপীল উপস্থাপন কৰা হৈছে কিন্তু খাৰিজ হৈছে, তেতিয়া বিবাহৰ পক্ষদ্বয়ৰ যি কোনো পক্ষই আকৌ বিয়া কৰোৱাটো বিধি সঙ্গত হব ঃ

[২] x x x x

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা কিছুমান নিৰ্দ্দিষ্ট শব্দৰ বাবে প্ৰতিষ্ঠাপিত ।
২। উক্ত অধিনিয়মৰ ধাৰা ১০ৰ দ্বাৰা পৰন্তুক লোপ কৰা হৈছে ।

**বাতিল আৰু বাতিলযোগ্য বিবাহৰ সন্তান সন্ততিৰ বৈধতা ।**

[1][১৬। (১) কোনো বিবাহ ধাৰা ১১ৰ অধীনত নিষ্ফল আৰু বাতিল হোৱা সত্বেও, এনে বিবাহৰ কোনো সন্তান, বিবাহখন বিধিমান্য হলে, বৈধ হʼলহেতেন, এনে সন্তানৰ বিবাহ বিধি ( সংশোধন ) অধিনিয়ম, ১৯৭৬ৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছতেই জন্ম হওক লাগিলে, আৰু এই অধিনিয়মৰ অধীনত সেই বিবাহৰ সম্পৰ্কত নিষ্ফলতাৰ ডিক্ৰী মঞ্জুৰ কৰা হওক বা নহওক, আৰু এই অধিনিয়মৰ অধীনৰ দৰ্খাস্ত ব্যতিৰেকে অন্যথা বিবাহখন বাতিল বুলি অভিনিৰ্দ্ধাৰিত কৰা হওক বা নহওক । (১৯৭৬ ৰ ৬৮)

(২) যত ধাৰা ১২ৰ অধীনত কোনো বাতিলযোগ্য বিবাহ সম্পৰ্কে নিষ্ফলতাৰ ডিক্ৰী মঞ্জুৰ কৰা হৈছে, ডিক্ৰী দিয়াৰ পূৰ্বে জন্ম পোৱা বা গৰ্ভধাৰণ কৰা কোনো সন্তান যি, ডিক্ৰীৰ তাৰিখত, বিবাহখন বাতিল ঘোষণা কৰাৰ পৰিবৰ্তে বিঘটিত কৰি দিলে বিবাহৰ পক্ষগণৰ বৈধ সন্তান হʼলহেতেন নিষ্ফলতাৰ ডিক্ৰী সত্বেও সেই সন্তান তেওঁলোকৰ বৈধ সন্তান বিবেচিত হব ।

(৩) উপধাৰা (১) বা উপধাৰা (২)ত অন্তৰ্বিষ্ট একোবেই নিষ্ফল আৰু বাতিল হোৱা বা ধাৰা ১২ৰ অধীনত নিষ্ফলতাৰ ডিক্ৰীৰ দ্বাৰা বাতিল কৰা কোনো বিবাহৰ সন্তানক তেওঁৰ পিতৃ-মাতৃৰ বাহিৰে আন ব্যক্তিৰ সম্পত্তিত বা সম্পত্তিৰ বাবে কোনো অধিকাৰ কোনো এনে ক্ষেত্ৰত প্ৰদান কৰে যত যদি এই অধিনিয়ম পাৰিত কৰা নহʼলহেতেন তেতিয়া সেই সন্তান নিজৰ পিতৃ-মাতৃৰ বৈধ সন্তান নোহোৱাৰ কাৰণত এনে কোনো অধিকাৰ ধাৰণ বা অৰ্জন কৰিবলৈ অক্ষম হʼলহেতেন । ]

**দ্বি-বিবাহৰ বাবে দণ্ড ।**

১৭। এই অধিনিয়ম প্ৰাৰম্ভণিৰ পিছত দুজন হিন্দুৰ মাজত কোনো বিবাহ অনুষ্ঠিত হলে সি বাতিল হব যদি এনে বিবাহৰ তাৰিখত কোনো পক্ষৰ পতি বা পত্নী জীৱিত থাকে ; আৰু ভাৰতীয় দণ্ড সংহিতাৰ (১৮৬০ৰ ৪৫) ধাৰা ৪৯৪ আৰু ৪৯৫ৰ উপবন্ধসমূহ তদনুসাৰে প্ৰযোজ্য হব ।

**হিন্দু বিবাহৰ নিৰ্দ্দিষ্ট আন কিছুমান চৰ্ত্ত উলঙঘনৰ বাবে দণ্ড ।**

১৮। প্ৰত্যেক ব্যক্তি যি এই অধিনিয়মৰ অধীনত ধাৰা ৫ৰ খণ্ডসমূহ (iii), (iv), [2][আৰু (v)]ত বিনিৰ্দ্দিষ্ট চৰ্ত্তসমূহ উলঙঘন কৰি নিজৰ বিবাহ সম্পন্ন কৰে, তেওঁ নিম্নলিখিত ধৰণে দণ্ডনীয় হব -

(ক) ধাৰা ৫ৰ খণ্ড (iii) ত বিনিৰ্দ্দিষ্ট চৰ্ত্ত উলঙঘা কৰিলে পোন্ধৰ দিন পৰ্য্যন্ত বিস্তৃত হব পৰা বিনাশ্ৰম কাৰাবাসৰে বা এহেজাৰ টকা পৰ্য্যন্ত বিস্তৃত হব পৰা জৰিমনাৰে বা দুয়োটাৰে ;

(খ) ধাৰা ৫ৰ খণ্ড (iv) বা (v) ত বিনিৰ্দ্দিষ্ট চৰ্ত্ত উলঙঘা কৰিলে এমাহ পৰ্য্যন্ত হব পৰা বিনাশ্ৰম কাৰাবাসৰে বা এহেজাৰ টকা পৰ্য্যন্ত বিস্তৃত হব পৰা জৰিমনাৰে বা দুয়োটাৰে । [3] X X X X

[3] X X X X

## অধিকাৰিতা আৰু প্ৰক্ৰিয়া

কোন ন্যায়ালয়ত দৰ্খাস্ত উপস্থাপন কৰা হব ।

[4][ ১৯। এই অধিনিয়মৰ অধীনত প্ৰত্যেকখন দৰ্খাস্ত জিলা ন্যায়ালয়ত উপস্থাপন কৰা হব, যাৰ সাধাৰণ মূল চিভিল অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত -

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১১ৰ দ্বাৰা ধাৰা ১৬ ৰ বাবে প্ৰতিষ্ঠাপিত ।

২। ১৯৭৮ চনৰ ২ নং অধিনিয়মৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা (v) আৰু (vi) ৰ বাবে প্ৰতিষ্ঠাপিত । (১-১০-১৯৭৮ ৰ পৰা প্ৰভাবী হোৱাকৈ )

৩। একে অধিনিয়মৰ ধাৰা ৬ আৰু অনুসূচীৰ দ্বাৰা "আৰু" শব্দটো আৰু (গ) খণ্ডটো লোপ কৰা হৈছে । ( ১-১০-৭৮ ৰ পৰা প্ৰভাবী হোৱাকৈ )

৪। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১২ৰ দ্বাৰা ১৯ ৰ বাবে প্ৰতিষ্ঠাপিত ।

(i) বিবাহখন অনুষ্ঠিত হৈছিল, বা

(ii) দৰ্খাস্ত উপস্থাপনৰ সময়ত প্ৰতিবাদীয়ে বাস কৰে, বা

(iii) বিবাহৰ পক্ষসকলে একেলগে শেষ বাৰ বাস কৰিছিল, বা

(iv) দৰ্খাস্তকাৰী দৰ্খাস্ত উপস্থাপন কৰা সময়ত বাস কৰি আছে, এনে ক্ষেত্ৰত য'ত প্ৰতিবাদী এই অধিনিয়ম বিস্তৃত হোৱা এনে ৰাজ্য ক্ষেত্ৰৰ বাহিৰত বাস কৰি আছে, বা তেওঁ জীৱিত আছে নে নাই এই বিষয়ে সাত বছৰ বা ততোধিক কালৰ বাবে তেওঁলোকে একো শুনা নাই, যি সকলে তেওঁ জীৱিত থাকিলে, তেওঁৰ বিষয়ে স্বাভাৱিকতে শুনিলেহেঁতেন।]

**দৰ্খাস্তৰ বিষয় বস্তু আৰু সত্য নিৰূপণ।** ২০। (১) এই অধিনিয়মৰ অধীনত উপস্থাপন কৰা প্ৰতিখন দৰ্খাস্ততে কি তথ্যৰ ওপৰত প্ৰতিকাৰ দাবী কৰা হৈছে তাক গোচৰৰ প্ৰকৃতিয়ে অনুমতি দিয়াৰ সাপেক্ষে স্পষ্টকৈ বৰ্ণনা কৰিব [1][ আৰু ধাৰা ১১ৰ অধীনৰ দৰ্খাস্ত ব্যতিৰেকে ইয়াকো বৰ্ণাব লাগিব ] যে দৰ্খাস্তকাৰী আৰু বিবাহৰ আন পক্ষৰ মাজত কোনো দুৰাভিসন্ধি নাই।

(২) এই অধিনিয়মৰ অধীনৰ প্ৰতিখন দৰ্খাস্তত অন্তৰ্বিষ্ট উক্তি দৰ্খাস্তকাৰীয়ে বা কোনো উপযুক্ত ব্যক্তিয়ে আৰ্জিত সত্য নিৰূপণ কৰিবৰ বাবে বিধিৰ দ্বাৰা অপেক্ষিত ধৰণে সত্য নিৰূপণ কৰিব আৰু তাক শুনানিৰ সময়ত সাক্ষ্য হিচাবে গ্ৰাহ্য কৰিব পাৰিব।

**১৯০৮ৰ ৫ নং অধিনিয়মৰ প্ৰয়োগ।** ২১। এই অধিনিয়মত অন্তৰ্বিষ্ট আন উপবন্ধসমূহ আৰু উচ্চ ন্যায়ালয়ে এই মৰ্মে প্ৰণয়ন কৰিব পৰা নিয়মাৱলী সাপেক্ষে এই অধিনিয়মৰ অধীনত সকলো কাৰ্যাবাহী যিমান দূৰ পৰা যায় চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা বিনিয়মিত হব।

**কিছুমান গোচৰত দৰ্খাস্ত হস্তান্তৰ কৰাৰ ক্ষমতা।** [2][ ২১ক। (১) য'ত -

(ক) এই অধিনিয়মৰ অধীনত কোনো দৰ্খাস্ত অধিকাৰিতা থকা জিলা ন্যায়ালয়ত বিবাহৰ কোনো পক্ষৰ দ্বাৰা ধাৰা ১০ৰ অধীনত ন্যায়িক পৃথককৰণৰ ডিক্ৰীৰ কাৰণে বা ধাৰা ১৩ৰ অধীনত বিবাহ বিচ্ছেদ ডিক্ৰীৰ কাৰণে প্ৰাৰ্থনা কৰি উপস্থাপিত কৰা হৈছে, আৰু

(খ) ইয়াৰ পিছত, এই অধিনিয়মৰ অধীনত আন এখন দৰ্খাস্ত বিবাহৰ আন পক্ষৰ দ্বাৰা কোনো আধাৰৰ ওপৰত ধাৰা ১০ৰ অধীনত ন্যায়িক পৃথক কৰণৰ বাবে বা ধাৰা ১৩ৰ অধীনত বিবাহ বিচ্ছেদৰ ডিক্ৰীৰ বাবে প্ৰাৰ্থনা কৰি, একে জিলা ন্যায়ালয়ত হওক, বা সেই ৰাজ্যৰ বা বেলেগ ৰাজ্যৰ কোনো বেলেগ জিলা ন্যায়ালয়ত উপস্থাপিত কৰা হৈছে,

সেইক্ষেত্ৰত দৰ্খাস্তখন উপধাৰা (২)ত বিনিৰ্দিষ্ট মতে ব্যৱস্থিত হব।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৩ দ্বাৰা "ইয়াকো বৰ্ণাব লাগিব" ৰ বাবে প্ৰতিষ্ঠাপিত।
২। একে অধিনিয়মৰ ধাৰা ১৪ দ্বাৰা ধাৰা অন্তঃস্থাপিত।

(২) উপধাৰা (১) প্ৰয়োগ হোৱা কোনো গোচৰত, --

(ক) যদিহে দৰ্খাস্ত সমূহ একেখন জিলা ন্যায়ালয়ত উপস্থাপিত কৰা হয়, দুয়োখন দৰ্খাস্তৰ বিচাৰ আৰু শুনানি একেলগে সেই জিলা ন্যায়ালয়ে কৰিব লাগিব ;

(খ) যদি দৰ্খাস্তসমূহ বিভিন্ন জিলা ন্যায়ালয় সমূহত উপস্থাপিত কৰা হয়, তেন্তে পিছত উপস্থাপিত কৰা দৰ্খাস্তখন আগৰ দৰ্খাস্তখন উপস্থাপিত কৰা জিলা ন্যায়ালয়লৈ হস্তান্তৰিত কৰা হব আৰু আগৰ দৰ্খাস্তখন উপস্থাপিত কৰা জিলা ন্যায়ালয়ে একেলগে দুয়োখন দৰ্খাস্তৰ শুনানি লব আৰু নিষ্পত্তি কৰিব ।

(৩) উপধাৰা (২) ৰ খণ্ড (খ) প্ৰয়োগ হোৱা কোনো গোচৰত ক্ষেত্ৰবিশেষে, ন্যায়ালয় বা চৰকাৰে, যি কোনো বাদ বা কাৰ্য্যবাহী, পিছৰ দৰ্খাস্তখন উপস্থাপন কৰা জিলা ন্যায়ালয়ৰ পৰা পূৰ্বৰ দৰ্খাস্তখন লম্বিত থকা জিলা ন্যায়ালয়লৈ হস্তান্তৰিত কৰিবলৈ চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ ৰ ৫) ৰ অধীনত সক্ষম, এনে পিছৰ দৰ্খাস্ত হস্তান্তৰিত কৰিবলৈ ১৯০৮
ইয়াৰ ক্ষমতাসমূহ প্ৰয়োগ কৰিব, যেনিবা ইয়াক উক্ত সংহিতাৰ অধীনত ৰ ৫
তেনেকুৱা কৰিবলৈ ক্ষমতা অৰ্পিত কৰা হৈছে ।

**অধিনিয়মখনৰ অধীনত দৰ্খাস্তৰ বিচাৰ আৰু নিষ্পত্তি সম্পৰ্কে বিশেষ উপবন্ধ ।**

২১খ। (১) এই অধিনিয়মৰ অধীনত দৰ্খাস্তৰ বিচাৰ, যিমানদূৰ, ন্যায়ৰ স্বাৰ্থত সঙ্গত হোৱাকৈ বিচাৰৰ সম্পৰ্কত সম্ভৱ হয়, ইয়াৰ সমাপ্ত নোহোৱা পৰ্য্যন্ত চলি থাকিব যদিহে ন্যায়ালয়ে পৰৱৰ্ত্তী দিনৰ পিছলৈ স্থগিত কৰা এনে কাৰণত আৱশ্যক বুলি ভাবে, যিটো লিপিবদ্ধ কৰিব ।

(২) এই অধিনিয়মৰ অধীনৰ প্ৰত্যেক দৰ্খাস্তৰ বিচাৰ যিমান শীঘ্ৰে সম্ভৱ, কৰিব লাগিব আৰু প্ৰতিবাদীৰ ওপৰত দৰ্খাস্তৰ জাননী জাৰিকৰণৰ তাৰিখৰ পৰা ছয়মাহৰ ভিতৰত বিচাৰ সমাপ্ত কৰিবলৈ প্ৰচেষ্টা কৰিব লাগিব ।

(৩) এই অধিনিয়মৰ অধীনৰ প্ৰত্যেক আপীলৰ যিমান শীঘ্ৰে সম্ভৱ শুনানি লব লাগিব আৰু প্ৰতিবাদীৰ ওপৰত দৰ্খাস্তৰ জাননী জাৰি কৰা তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত শুনানি সমাপ্ত কৰিব লাগিব ।

**দস্তাবেজী সাক্ষ্য ।**

২১গ। কোনো অধিনিয়মিতত বিপৰীতে কোনো কথা থকা সত্ত্বেও, এই অধিনিয়মৰ অধীনত কোনো দৰ্খাস্তৰ বিচাৰৰ সময়ত কোনো কাৰ্য্যবাহীত কোনো দস্তাবেজ সাক্ষ্যত যথাযথভাবে মুদ্ৰাঙ্কিত বা পঞ্জীভুক্ত নোহোৱাৰ আধাৰত অগ্ৰাহ্য নহব ।

**কাৰ্য্যবাহী গোপনে হব লাগিব আৰু ছপা বা প্ৰকাশ কৰা নহব পাৰে ।**

[১][২২] (১) এই অধিনিয়মৰ অধীনৰ প্ৰত্যেক কাৰ্য্যবাহী গোপনে পৰিচালিত হব আৰু কোনো ব্যক্তিয়ে ন্যায়ালয়ৰ পূৰ্ব অনুমতিসহ মুদ্ৰিত বা প্ৰকাশিত কৰা উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ নিৰ্ণয়ৰ বাহিৰে এনে কোনো কাৰ্য্যবাহী সম্পৰ্কে কোনো বিষয় মুদ্ৰিত বা প্ৰকাশ কৰাটো বিধি সঙ্গত নহব ।

(২) উপধাৰা (১)ত অন্তৰ্বিষ্ট কোনো উপবন্ধ উলঙঘা কৰি কোনো ব্যক্তিয়ে যদি কোনো কথা ছপা বা প্ৰকাশ কৰে, তেওঁ এহেজাৰ টকা পৰ্য্যন্ত বিস্তৃত হব পৰা জৰিমণাৰে দণ্ডনীয় হব ।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৫ৰ দ্বাৰা ধাৰা ২২ৰ বাবে প্ৰতিস্থাপিত ।

**কাৰ্য্যবাহীত ডিক্ৰী ।**

২৩। (১) এই অধিনিয়মৰ অধীনৰ কোনো কাৰ্য্যবাহীত প্ৰতিবাদ কৰা হওক বা নহওক, যদি ন্যায়ালয় সন্তুষ্ট হয় যে -

(ক) প্ৰতিকাৰ মঞ্জুৰ কৰাৰ বাবে আধাৰ সমূহৰ কোনোটো আছে আৰু দৰ্খাস্তকাৰীয়ে [১] [ ধাৰা ৫ৰ খণ্ড (ii) ৰ উপখণ্ড (ক), উপখণ্ড (খ) বা উপখণ্ড (গ)ত বিনিৰ্দ্দিষ্ট আধাৰত তেওঁ বিচৰা প্ৰতিকাৰ ক্ষেত্ৰ ব্যতিৰেকে], কোনো প্ৰকাৰে তেওঁৰ ভুল বা অক্ষমতাৰ সুবিধা এনে প্ৰতিকাৰৰ বাবে লোৱা নাই, আৰু

(খ) যত দৰ্খাস্তৰ আধাৰ [২] x x x ধাৰা ১৩ৰ উপধাৰা (১)ৰ খণ্ড (i)ত বিনিৰ্দ্দিষ্ট আধাৰ হয়, তাত দৰ্খাস্তকাৰীয়ে কোনো ধৰণে অভিযোগ কৰা কাৰ্য্যত বা কাৰ্য্যবোৰত সাহায্যকাৰী হোৱা নাই বা তাৰ উপেক্ষা বা ক্ষমা কৰা নাই, বা যত দৰ্খাস্তৰ কাৰণ নিৰ্দ্দয়তা, তাত দৰ্খাস্তকাৰীয়ে কোনো ধৰণে নিৰ্দ্দয়তাক ক্ষমা কৰা নাই ; আৰু

[৩] [(খখ) যেতিয়া পাৰস্পৰিক সন্মতিৰ দ্বাৰা বিবাহ বিচ্ছেদ বিচৰা হৈছে, এনে সন্মতি, বল, প্ৰবঞ্চনা বা অনুচিত প্ৰভাবৰ দ্বাৰা লাভ কৰা নাই, আৰু

(গ) [৪] [ দৰ্খাস্তখন, ( ধাৰা ১১ ৰ অধীনত উপস্থাপিত কৰা নোহোৱা দৰ্খাস্ত) ] প্ৰতিবাদীৰ সৈতে দুৰভিসন্ধি কৰি দৰ্খাস্তখন উপস্থাপন কৰা নাই বা অভিযোজন কৰা নাই, আৰু

(ঘ) কাৰ্য্যবাহী ৰুজু কৰাত অনাবশ্যক বা অনুচিত পলম হোৱা নাই, আৰু

(ঙ) কিয় প্ৰতিকাৰ মঞ্জুৰ কৰা নহব তাৰ আন কোনো বিধি সঙ্গত কাৰণ নাই, তেতিয়া আৰু এনে ক্ষেত্ৰত, কিন্তু অন্যথা নহয়, ন্যায়ালয়ে এনে প্ৰতিকাৰৰ ডিক্ৰী তদনুসাৰে দিব।

(২) এই অধিনিয়মৰ অধীনত কোনো প্ৰতিকাৰ মঞ্জুৰ কৰাৰ আগতে সম্ভাবনা থকা প্ৰতিটো ক্ষেত্ৰতে গোচৰৰ প্ৰকৃতি আৰু পৰিস্থিতিৰ সৈতে সঙ্গত ভাবে পক্ষগণৰ মাজত পুনৰ্মিলন হব পাৰে নেকি তাৰ বাবে সকলো চেষ্টা কৰাটো ন্যায়ালয়ৰ প্ৰথম কৰ্ত্তব্য হব ঃ

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৬ দ্বাৰা অন্তঃস্থাপিত।
২। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহ লোপ কৰা হৈছে।
৩। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা অন্তঃস্থাপিত।
৪। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[1] [ পৰন্তু এই উপধাৰাত অন্তৰ্বিষ্ট একোৱেই ধাৰা ১৩ৰ (১) উপধাৰাৰ খণ্ড (ii), খণ্ড (iii), খণ্ড (iv), খণ্ড (v), খণ্ড (vi) বা খণ্ড (vii)ত বিনিৰ্দ্দিষ্ট আধাৰসমূহৰ কোনোটোৰ ওপৰত প্ৰতিকাৰ বিচৰা কোনো কাৰ্য্যবাহীত প্ৰয়োগ নহব । ]

[2] [(৩) এনে পুনৰ্মিলন কৰণত ন্যায়ালয়ক সাহায্য কৰাৰ উদ্দেশ্যে ন্যায়ালয়ে, যদি পক্ষগণে তেনেকুৱা ইচ্ছা কৰে, বা যদি ন্যায়ালয়ে তেনেকুৱা কৰাটো ন্যায়সঙ্গত আৰু উচিত বুলি ভাবে, পোন্ধৰ দিনৰ অধিক নোহোৱা যুক্তিযুক্ত কালৰ বাবে কাৰ্য্যবাহীবোৰ স্থগিত ৰাখিব পাৰে, আৰু এই মৰ্মে পক্ষসকলৰ দ্বাৰা নাম দিয়া কোনো ব্যক্তিলৈ বা পক্ষসকলে কোনো ব্যক্তিৰ নাম দিবলৈ ব্যৰ্থ হলে ন্যায়ালয়ৰ দ্বাৰা মনোনীত কোনো ব্যক্তিলৈ, পুনৰ্মিলন কৰাব পৰা যায় নে নাযায় আৰু কৰোৱা হৈছে নে নাই সেই সম্পৰ্কে ন্যায়ালয়ক প্ৰতিবেদন দিবলৈ নিৰ্দেশ সহ, নিৰ্দেশিত কৰিব পাৰিব আৰু ন্যায়ালয়ে কাৰ্য্যবাহীৰ নিস্পত্তি কৰোতে প্ৰতিবেদনলৈ যথাযথ মনোযোগ দিব ।

(৪) বিবাহ বিচ্ছেদৰ দ্বাৰা বিবাহ বিঘটিত হোৱা প্ৰত্যেক ক্ষেত্ৰতে, ডিক্ৰী দিয়া ন্যায়ালয়ে পক্ষসকলৰ প্ৰত্যেককে তাৰ এটা প্ৰতিলিপি বিনামূলীয়াকৈ দিব । ]

**বিবাহ বিচ্ছেদ আৰু আন কাৰ্য্যবাহীবোৰত প্ৰতিবাদীৰ বাবে প্ৰতিকাৰ ।**

[3] [ ২৩ক । বিবাহ বিচ্ছেদ বা ন্যায়িক পৃথককৰণ বা দাম্পত্য অধিকাৰৰ পুনৰ আস্থাপনৰ বাবে কোনো কাৰ্য্যবাহীত, প্ৰতিবাদীয়ে যে দৰ্খাস্তকাৰীৰ ব্যভিচাৰ, নিৰ্দ্দয়তা বা পৰিত্যাগৰ আধাৰত বিচৰা প্ৰতিকাৰটোই প্ৰতিৰোধ কৰিব পাৰিব এনে নহয়, কিন্তু এই অধিনিয়মৰ অধীনত কোনো প্ৰতিকাৰৰ বাবে প্ৰতিদাবীও কৰিব পাৰিব, আৰু যদিহে দৰ্খাস্তকাৰীৰ ব্যভিচাৰ, নিৰ্দ্দয়তা বা পৰিত্যাগ প্ৰমাণিত হয় তেনে ন্যায়ালয়ে, প্ৰতিবাদীক এই অধিনিয়মৰ অধীনত প্ৰতিকাৰ দিব পাৰিব, যিটো তেওঁ সেই আধাৰত এনে প্ৰতিকাৰ বিচাৰি দৰ্খাস্ত উপস্থাপন কৰাহেঁতেন, হকদাৰ হ'লহেতেন । ]

**বাদ কালীন ভৰণ-পোষণ আৰু কাৰ্য্যবাহীৰ বাবে খৰচ ।**

২৪। যেতিয়া এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে দেখে যে ক্ষেত্ৰবিশেষে পতি বা পত্নীৰ নিজক প্ৰতিপালন কৰিবলৈ যথেষ্ট কোনো স্বতন্ত্ৰ আয় আৰু কাৰ্য্যবাহীৰ বাবে আৱশ্যকীয় খৰচ নাই, তেন্তে পতি বা পত্নীৰ আবেদন ক্ৰমে, কাৰ্য্যবাহীৰ খৰচ আৰু কাৰ্য্যবাহীৰ সময়ত মাহিলী এনে পৰিমাণৰ টকা যি দৰ্খাস্তকাৰীৰ নিজা আয় আৰু প্ৰতিবাদীৰ আয়ৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ৰ যুক্তিযুক্ত প্ৰতীত হয় দৰ্খাস্তকাৰীক প্ৰদান কৰিবলৈ প্ৰতিবাদীক আদেশ দিব পাৰিব ।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা সংযোজিত ।

২। একে অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা উপধাৰাসমূহ (৩) আৰু (৪) অন্তঃস্থাপিত ।

৩। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৭ৰ দ্বাৰা অন্তঃস্থাপিত ।

**স্থায়ী নিৰ্বাহ ব্যয় আৰু ভৰণ-পোষণ ।**

২৫। (১) এই অধিনিয়মৰ অধীনত অধিকাৰিতা প্ৰয়োগ কৰা কোনো ন্যায়ালয়ে ডিক্ৰী দিয়াৰ সময়ত বা তাৰ পিছত যি কোনো সময়ত, ক্ষেত্ৰবিশেষে, পতি বা পত্নীয়ে এই উদ্দেশ্যে দিয়া আবেদনক্ৰমে, আদেশ দিব পাৰে যে প্ৰতিবাদীয়ে [১] x x x x তেওঁৰ ভৰণ-পোষণ আৰু প্ৰতিপালনৰ কাৰণে এনে মুঠ টকা বা এনে মাহেকীয়া বা সাময়িক টকা, যিটো প্ৰতিবাদীৰ নিজৰ আয় আৰু আন সম্পত্তিৰ, যদি কিবা থাকে, আবেদক বা আবেদিকাৰ আয় আৰু আন সম্পত্তিৰ আৰু [২][ পক্ষগণৰ আচৰণ আৰু গোচৰটোৰ আন পৰিস্থিতিসমূহ ] লৈ দৃষ্টি ৰাখি যিটো ন্যায়ালয়ে ন্যায়সঙ্গত বুলি ভাবে, আবেদক বা আবেদিকাৰ জীৱন কালতকৈ অধিক নোহোৱা কালৰ কাৰণে প্ৰদান কৰিব লাগিব আৰু এনেকুৱা প্ৰদানৰ বাবে প্ৰয়োজন হলে প্ৰতিবাদীৰ স্থাৱৰ সম্পত্তিৰ ওপৰত ভাৰৰ দ্বাৰা প্ৰতিভূত কৰিব পাৰিব ।

(২) উপধাৰা (১)ৰ অধীনত আদেশ দিয়াৰ পিছত যদি কোনো সময়ত কোনো পক্ষৰ পৰিস্থিতিৰ পৰিবৰ্ত্তন হোৱা বুলি ন্যায়ালয় সন্তুষ্ট হয়, তেন্তে কোনো পক্ষৰ অনুৰোধ মতে ই ন্যায্য বিবেচনা কৰা ধৰণে এনে আদেশ পৰিবৰ্ত্তন, সাল-সলনি বা বিখণ্ডিত কৰিব পাৰিব ।

(৩) যদি ন্যায়ালয় সন্তুষ্ট হয় যে এই ধাৰাৰ অধীনত যি পক্ষৰ সপক্ষে কোনো আদেশ দিয়া হৈছে, সেই পক্ষই পুনৰ বিবাহ কৰাইছে, বা যদি এনে পক্ষ পত্নী হয়, তেন্তে তেওঁ সতী হৈ থকা নাই, বা যদি এনে পক্ষ পতি হয় তেন্তে তেওঁ বিবাহ বন্ধনৰ বাহিৰত কোনো তিৰোতাৰ সৈতে যৌন সঙ্গমত লিপ্ত হৈছে, তেন্তে [৩][ ন্যায়ালয়ে আন পক্ষৰ অনুৰোধ ক্ৰমে, ন্যায়ালয়ে ন্যায়সঙ্গত বুলি বিবেচনা কৰা ধৰণে এনে কোনো আদেশ পৰিবৰ্ত্তন, সাল-সলনি বা বিখণ্ডিত কৰিব পাৰিব । ]

**সন্তান-সন্ততিৰ অভিৰক্ষা ।**

২৬। এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে সময়ে সময়ে ন্যায়ালয়ক সন্তান-সন্ততিৰ ইচ্ছাৰ লগত সংগতি ৰাখি যতেই সম্ভৱ তেওঁলোকৰ অভিৰক্ষা, ভৰণ-পোষণ আৰু শিক্ষা সম্পৰ্কে ন্যায্য আৰু সমুচিত বিবেচনা কৰিলে যিকোনো অন্তঃকালীন আদেশ পাৰিত কৰিব পাৰিব, আৰু ডিক্ৰীত কিছুমান উপবন্ধ কৰিব পাৰে, আৰু ডিক্ৰীৰ পিচত এই উদ্দেশ্যে দৰ্খাস্তৰ দ্বাৰা কৰা আবেদন ক্ৰমে এনে সন্তান-সন্ততিৰ অভিৰক্ষা, ভৰণ-পোষণ আৰু শিক্ষাৰ সম্পৰ্কত সময়ে সময়ে এনে আদেশ আৰু উপবন্ধ কৰিব পাৰিব যি এনে ডিক্ৰী লাভ কৰাৰ বাবে কাৰ্য্যবাহী লম্বিত থাকিলে এনে ডিক্ৰী বা অন্তঃকালীন আদেশৰ দ্বাৰা কৰিব পৰা গ'লহেতেন, আৰু ন্যায়ালয়ে সময়ে সময়ে ইতিপূৰ্বে দিয়া এনে যিকোনো আদেশ বা কৰা হোৱা উপবন্ধ প্ৰতিসংহৃত, নিলম্বিত বা পৰিবৰ্ত্তনো কৰিব পাৰিব ।

**সম্পত্তিৰ নিষ্পত্তি ।**

২৭। এই অধিনিয়মৰ অধীনত যি কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে, বিবাহৰ সময়ত বা তাৰ সন্নিকটত উপহাৰ পোৱা সম্পত্তি সম্পৰ্কে, যি পতি-পত্নী উভয়ৰে উমৈহতীয়া, ডিক্ৰীত এনে কোনো উপবন্ধ কৰিব পাৰে, যিটো ন্যায়ালয়ে ন্যায্য আৰু সমুচিত বুলি বিবেচনা কৰে ।

---

১। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৮ৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহ লোপ কৰা হৈছে ।
২। একে অধিনিয়মৰ ধাৰা ১৮ৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহ প্ৰতিষ্ঠাপিত ।
৩। ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৮ৰ দ্বাৰা নিৰ্দ্দিষ্ট শব্দসমূহৰ বাবে প্ৰতিস্থাপিত ।

**ডিক্রী আৰু আদেশৰ পৰা আপীল ।**

[1][২৮। (১) এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে দিয়া সকলো ডিক্রী উপধাৰা (৩)ৰ উপবন্ধ সাপেক্ষে, মূল চিভিল অধিকাৰিতাৰ প্ৰয়োগত দিয়া ন্যায়ালয়ৰ ডিক্রীৰ দৰে আপীল যোগ্য হ'ব, আৰু এনে প্ৰত্যেক আপীল সেই ন্যায়ালয়ত কৰিব য'ত সেই ন্যায়ালয়ৰ দ্বাৰা নিজৰ মূল চিভিল অধিকাৰিতাৰ প্ৰয়োগত কৰা সিদ্ধান্তৰ পৰা আপীল সাধাৰণতে কৰা হয় ।

(২) এই অধিনিয়মৰ ধাৰা ২৫ আৰু ধাৰা ২৬ৰ অধীনত কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে দিয়া কোনো আদেশ, উপধাৰা (৩)ৰ উপবন্ধসমূহ সাপেক্ষে, আপীলযোগ্য হ'ব, যদি সেইবোৰ অন্তঃকালীন আদেশ নহয়, আৰু এনে প্ৰত্যেক আপীল সেই ন্যায়ালয়ত কৰিব য'ত সেই ন্যায়ালয়ৰ দ্বাৰা নিজৰ মূল চিভিল অধিকাৰিতাৰ প্ৰয়োগত কৰা সিদ্ধান্তৰ পৰা আপীল সাধাৰণতে কৰা হয় ।

(৩) কেৱল খৰচৰ বিষয়ত কোনো আপীল এই ধাৰাৰ অধীনত নহ'ব ।

(৪) এই ধাৰাৰ অধীনত প্ৰত্যেক আপীল ডিক্রী বা আদেশৰ তাৰিখৰ পৰা ত্ৰিশ দিন কালৰ ভিতৰত কৰিব লাগিব ।

**ডিক্রী আৰু আদেশসমূহৰ বলবৎকৰণ ।**

২৮ক। এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে দিয়া সকলো আদেশ আৰু ডিক্রী, মূল চিভিল অধিকাৰিতাৰ প্ৰয়োগত ন্যায়ালয়ৰ ডিক্রী আৰু আদেশসমূহ তৎসময় বলবৎ হোৱাৰ দৰে বলবৎ হ'ব ।]

## ব্যাবৃত্তি আৰু নিৰসন

**ব্যাবৃত্তি ।**

২৯। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে দুজন হিন্দুৰ মাজত অনুষ্ঠিত হোৱা বিবাহ যি অন্যথা বিধিমান্য, সি কেৱল তাৰ পক্ষগণ একে গোত্ৰৰ বা প্ৰবৰৰ বা ভিন্ন ধৰ্মৰ বা জাতিৰ বা একে জাতিৰ বিভিন্ন উপজাতিৰ হোৱা তথ্যটোৰ কাৰণত অবিধিমান্য বুলি বিবেচিত নহ'ব বা কোনো কালে অবিধিমান্য বুলি বিবেচিত নহ'ব ।

(২) এই অধিনিয়মত অন্তৰ্বিষ্ট একোৱেই প্ৰথাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বা কোনো বিশেষ অধিনিয়মিতিৰ দ্বাৰা অৰ্পিত কোনো এনে অধিকাৰৰ ওপৰত প্ৰভাব পেলোৱা বুলি গণ্য নহ'ব যি, কোনো হিন্দু বিবাহৰ, এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে অনুষ্ঠিত হওক বা পিছতেই অনুষ্ঠিত হওক, বিঘটন লাভ কৰাৰ অধিকাৰ হয় ।

(৩) এই অধিনিয়মত অন্তৰ্বিষ্ট কোনো কথাই তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত কোনো এনে কাৰ্য্যবাহীৰ ওপৰত প্ৰভাব নেপেলাব যি কোনো বিবাহ নিষ্ফল আৰু বাতিল ঘোষণা কৰিবলৈ বা কোনো বিবাহ বাতিল বা বিঘটিত কৰিবলৈ বা ন্যায়িক পৃথককৰণ কৰিবলৈ হয় আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণিত লম্বিত আছে, আৰু এনে কোনো কাৰ্য্যবাহী চলি থাকিব আৰু অবধাৰিত হ'ব যেনিবা এই অধিনিয়ম পাৰিত হোৱাই নাছিল ।

(৪) এই অধিনিয়মত অন্তৰ্বিষ্ট একোৱেই বিশেষ বিবাহ অধিনিয়ম, ১৯৫৪ (১৯৫৪ৰ ৪৩) ৰ হিন্দুৰ মাজত সেই অধিনিয়মৰ অধীনত এই অধিনিয়মৰ প্ৰাৰম্ভণিৰ পূৰ্বে বা পিছত অনুষ্ঠিত হোৱা বিবাহ সম্পৰ্কে থকা উপবন্ধসমূহ প্ৰভাবিত কৰা বুলি গণ্য নকৰিব । ১৯৫৪ ৰ ৪৩

**নিৰসিত ।**

৩০। নিৰসন - নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৬০ (১৯৬০ৰ ৫৮) ধাৰা ২ আৰু ১ম অনুসূচীৰ দ্বাৰা নিৰসিত ।

---

[1] ১৯৭৬ চনৰ ৬৮ নং অধিনিয়মৰ ধাৰা ১৯ৰ দ্বাৰা ধাৰা ২৮ৰ বাবে প্ৰতিষ্ঠাপিত ।

# THE HINDU MARRIAGE ACT, 1955
# হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫

## Glossary of Terms
## পৰিভাষা

| Reference | | English Terms | Assamese Equivalent |
|---|---|---|---|
| Section | 2 (c) | Custom or Usage | ৰীতি বা প্ৰথা। |
| " | 2 (Exp) | Legitimate or illegitimate | বৈধ বা অবৈধ। |
| " | 3 (a) | Continuously and uniformly | একেৰাহে আৰু একেৰূপে। |
| " | 3 (a) | Community | সম্প্ৰদায়। |
| " | 3 (c) | Full blood and half blood | পূৰ্ণৰক্ত আৰু অৰ্দ্ধৰক্ত। |
| " | " | Ancestor | পূৰ্বজ। |
| " | 3 (d) | Uterine blood | একোদৰ ৰক্ত। |
| " | " | Ancestress | পূৰ্বজা। |
| " | 3(f) (i) | Sapinda relationship | সপিণ্ড সম্বন্ধ। |
| " | 3 (g) | Degrees of prohibited relationship | নিষিদ্ধ সম্বন্ধৰ ডিগ্ৰী। |
| " | 3 (g) (i) | Lineal | পুৰুষানুক্ৰমিক। |
| " | 4 (Side heading) | Overriding effect | অধ্যাৰোহী প্ৰভাব। |
| " | 5 (a) | Unsoundness of mind | চিত্ত বিকৃত্তি। |
| " | 5 (c) | Insanity or epilepsy | উন্মাদতা বা মৃগী . |
| " | 7 (1) | Ceremony | অনুষ্ঠান। |
| " | 7 (2) | Saptapadi | সপ্তপদী। |
| " | 10 (I) | Judicial separation | ন্যায়িক পৃথককৰণ। |
| " | 11 | Nullity of Marriage | বিবাহৰ নিষ্ফলতা। |
| " | 11 | Null and Void | নিষ্ফল আৰু বাতিল। |
| " | 11 | Decree of Nullity | নিষ্ফলতাৰ ডিক্ৰী। |
| " | 13(I) (Exp) (a) | Schizophrenia | বিখণ্ডিত মনস্কতা। |
| " | 13(I) (Exp) (a) | Psychopathic Disorder | মনোবিকৃতি। |
| " | 16 (2) | Nullity | নিষ্ফলতা। |
| " | 17 | Bigamy | দ্বি-বিবাহ। |
| " | 22(I) | In camera | গোপনে। |
| " | 23(i) (bb) | Mutual consent | পাৰস্পৰিক সন্মতি। |
| " | 25 | Permanent alimony | স্থায়ী নিৰ্বাহ ব্যয়। |
| " | 26 | To revoke | প্ৰতিসংহৃত কৰা। |
| " | 26 | Custody | অভিৰক্ষা। |

# হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫

## শুদ্ধিপত্ৰ

| পৃষ্ঠা | ধাৰা | আছে | হ'ব লাগে |
| --- | --- | --- | --- |
| ৫ | ৮(৪) প্ৰথম শাৰী | পঞ্জীয়ন | পঞ্জী |
| ৯ | ১৩ স্পষ্টীকৰণ প্ৰথম শাৰী | এই খণ্ডটো বিবাহ, | এই খণ্ডটো তেনে বিবাহত |
| ১১ | ১৬(১) সপ্তম শাৰী | বিবাহ বিধি সংশোধন অধিনিয়ম,--- | হিন্দু বিবাহ বিধি সংশোধন অধিনিয়ম,--- |
| | | বাতিল বলি-- --- নহওক। | বাতিল বলি --- নহওক, বৈধ হ'ব। |
| ১২ | পাদ টোকা ২ | একে অধিনিয়মৰ--- দ্বাৰা ধাৰা অন্তস্থাপিত | একে অধিনিয়মৰ— দ্বাৰা অন্তঃস্থাপিত |
| ১৩ | ২১ গ | | ২১ গৰ শেষত"]" হ'ব |
| ১৩ | ২২ | [২২] | [২২ (২), ৰ শেষত "]"হ'ব। |
| ১৪ | ২৩(১)[খ খ | | [খ খ ৰ দ্বিতীয় শাৰীৰ আৰম্ভ পিচত"]"হ'ব |
| ১৭ | ২৯(৪) দ্বিতীয় শাৰী | (১৯৫৪ৰ ৪৩)ৰ | (১৯৫৪ৰ ৪৩)ত |